৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত ১১ পৃষ্ঠাত

# অসম আদিত্য

RNI REGN. No. : ASSASS/2019/78693
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com

**স্বাস্থ্য**

আদাই ওজন কমোৱাত সহায় কৰে। কাৰণ ই ভোক নিয়ন্ত্ৰণ কৰি শৰীৰৰ তাপ বৃদ্ধি কৰি তোলে। আদাৰ চাহ খালে দ্ৰুতগতিত ওজন নিয়ন্ত্ৰিত হয়। ডিঙিৰ যিকোনো সমস্যা সমাধানতো এই পথ্য উপযোগী।

১৭ কাতি, ১৯৪৭ শক ■ মঙলবাৰ, ৪ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, November 4, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ

## ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হ'ব দীপক শৰ্মাৰ শেষকৃত্য ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত ৰাজ্যবাসী শোকৰ সমুদ্ৰত ডুব গৈ থকাৰ মাজতে আন এক সহিব নোৱাৰা দুখ দি সোমবাৰে মহাপ্ৰয়াণ ঘটে অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ আন এক ভোটাতৰা তথা আন্তঃৰাষ্ট্ৰীয় ৬ পৃষ্ঠাত

## হেৰাই গ'ল এক অম্লান ব্যক্তিত্ব



■ ড° শশীকান্ত শইকীয়া

হেৰাই গ'ল এক অম্লান ব্যক্তিত্ব, বাঁহীৰ যাদুকৰ, মহান শিল্পী দীপক শৰ্মাৰ। যাৰ আঙুলিৰ পৰশত বাঁহীৰ সুৰত অসমৰ প্ৰতিজন মানুহৰ হৃদয় চুই গৈছিল। অসমৰ সংগীত জগত যেন এফালৰ শূন্য হ'বলৈ ৬ পৃষ্ঠাত

### আজি গুৱাহাটী পাবহি দীপক শৰ্মাৰ নিথৰ দেহ



## চেন্নাইত স্তব্ধ অসমৰ বাঁহীৰ সুৰ...



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ নৱেম্বৰ ঃ** 'প্ৰেমৰ এক কাহিনীৰ পৰিসমাপ্তি ঘটিল।' গীতৰ ঈশ্বৰৰ মৃত্যুৱে বিষাদগ্ৰস্ত কৰি ৰখাৰ সময়তে 'বাঁহীৰ স'তে এক সুধাৰ প্ৰেম'ৰ শিল্পীজনেও নীৰৱে বিদায় ল'লে। আকাশ-বতাহত কেৱল শোকৰ ডাৱৰ-অনু পৰমাণুৰ পৰিভ্ৰমণৰ বেলাটোতে আজি বিয়পি পৰিছে বিষাদ সংগীত। 'ৰাগ ভৈৰৱী'য়ে যেন সমগ্ৰ অসমবাসীক বুৰাই পেলাইছে। ৬ পৃষ্ঠাত

## ৪২ খন দেশত দ্বি-শতাধিকবাৰ বাঁহী বজাই ভাগৰি গৈছিল দীপক

■ প্ৰণৱ কুমাৰ বৰ্মন

গোটেই ৰাজ্যখনৰ বাবেই দুখৰ খবৰ। এজনৰ পিছত এজন এনেকুৱা মহান ব্যক্তিৰ আৰু গুৰুত্বপূৰ্ণ সাংস্কৃতিক কৰ্মী হওক বা সাহিত্যিকৰ মৃত্যু ঘটি আছে। গতিকে আমি সকলো মৰ্মাহত হৈ আছোঁ। মানে চকুপানী টুকি টুকি এতিয়া আমাৰ চকুপানী নাইকিয়া হোৱাৰ নিচিনা হৈছে। তেওঁ লগতে কয় যে এজনৰ পিছত এজন এনেদৰে ৬ পৃষ্ঠাত



